**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-04-2025
**Time:** 1910 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে সমবায় মন্ত্ৰালয় স্থাপন কৰাৰ পাছৰে পৰা ভাৰতৰ সমবায় খণ্ডত হোৱা উল্লেখনীয় পৰিৱৰ্তনৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে প্ৰসংশা কৰে।

২। সংবিধান প্ৰণেতা ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ কাইলৈ জয়ন্তী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। ইজৰাইলে চলোৱা বিমান আক্ৰমণত গাজা চহৰত সম্পূৰ্ণৰূপে কাৰ্যক্ৰম হৈ থকা অন্তিমখন চিকিৎসালয় অল আহলি বেপ্তিষ্ট হস্পিতালৰ এটা অংশ বিধবস্ত হৈছে।

৪। অন্ধ্ৰ প্ৰদেশৰ আনাকাপালে জিলাৰ কৈলাশাপট্টনমৰ এটা আতচবাজী নিৰ্মাণ কাৰখানাত হোৱা বিস্ফোৰণৰ ফলত ৬জন শ্ৰমিকৰ মৃত্যু হয়। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল ছেলেঞ্জাৰ্চ বেংগালুৰুৱে, ৰাজস্থান ৰয়েলছক ৯ উইকেটত পৰাস্ত কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে সমবায় মন্ত্ৰালয় স্থাপন কৰাৰ পাছৰে পৰা ভাৰতৰ সমবায় খণ্ডত হোৱা উল্লেখনীয় পৰিৱৰ্তনৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে প্ৰসংশা কৰে। ভূপালত অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ সমবায় সন্মিলনত অংশগ্ৰহণ কৰি শ্ৰীশ্বাহে দেশৰ ইতিহাসত প্ৰথমবাৰৰ বাবে গ্ৰাম্য উন্নয়ন, কৃষি আৰু পশুপালনক একত্ৰিত কৰাত চৰকাৰে কেনে ভূমিকা গ্ৰহণ কৰিছে সেই সন্দৰ্ভতো আলোকপাত কৰে।

সমবায় নীতিসমূহ মানসম্পন্ন কৰি তোলাৰ লগতে অন্যান্য ৰাজ্যত আদৰ্শ উপনিয়ম সৃষ্টি কৰাত কেন্দ্ৰীয় চৰকাৰৰ ভূমিকাতো শ্ৰীশ্বাহে আলোকপাত কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰৰ এই প্ৰয়াসে সমবায় খণ্ডক উজ্জীৱিত কৰিছে।

শ্ৰীশ্বাহে প্ৰাথমিক কৃষি ঋণ সমিতিৰ বৰ্ধিত ভূমিকাৰ কথা উল্লেখ কৰি কয় যে ২০খনতকৈও অধিক ৰাজ্যত এই সমিতিয়ে কাম কৰি আছে। তেওঁ কয় যে এই সমিতিয়ে কৃষি বিত্তৰ ক্ষেত্ৰত সেৱা আগবঢ়োৱাৰ লগতে ঔষধ বিক্ৰী আৰু পানীৰ বিতৰণ প্ৰক্ৰিয়াকো সামৰি লৈছে। মধ্য প্ৰদেশ দুগ্ধ সমবায় আৰু ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন বোৰ্ডৰ মাজত সম্পন্ন চুক্তি মৰ্মে উৎপাদন ৬ হাজাৰৰ পৰা ৯ হাজাৰলৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে।

এই সন্মিলনত মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱে অধ্যক্ষতা কৰে। মধ্য প্ৰদেশৰ সমবায় মন্ত্ৰী বিশ্বাস সাৰাংগ, পশুপালন মন্ত্ৰী লখন পেটেল আৰু ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০

সংবিধান প্ৰণেতা ড০ ভীমৰাও ৰামজী আম্বেদকাৰৰ কাইলৈ জয়ন্তী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয় যে যথেষ্ট বিপৰ্যয়ৰ মাজতো বাবা চাহেব আম্বেদকাৰে এটা সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সমৰ্থ হোৱাৰ লগতে তেওঁৰ ব্যতিক্ৰমী সফলতাৰ বাবে বিশ্বজুৰি সন্মান লাভ কৰিছে। শ্ৰীমতী মুৰ্মুৱে কয় যে বাবা চাহেব আম্বেদনকাৰ এগৰাকী বহুমুখী ব্যক্তিত্বসম্পন্ন লোক আছিল। তেওঁ একেৰাহে অৰ্থনীতিবিদ, শিক্ষাবিদ হোৱাৰ লগতে এগৰাকী মহান সমাজ সংস্কাৰক আছিল বুলিও শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। ড০ আম্বেদকাৰে মহিলা আৰু বঞ্চিত শ্ৰেণীৰ অৰ্থনৈতিক আৰু সামাজিক অধিকাৰৰ হকে জীৱনজুৰি প্ৰচেষ্টা চলাইছিল। শ্ৰীমতী মুৰ্মুৱে কয় যে ড০ আম্বেদকাৰে শিক্ষাক সামাজিক পৰিৱৰ্তন আৰু সবলীকৰণৰ গুৰুত্বপূৰ্ণ আধাৰ বুলি অভিহিত কৰিছিল। বিভিন্ন ক্ষেত্ৰত

আম্বেদকাৰে আগবঢ়োৱা বৰঙণিয়ে দেশৰ জনসাধাৰণক অনুপ্ৰাণিত কৰি অহাৰ লগতে ভৱিষ্যত প্ৰজন্মকো ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত প্ৰেৰণা যোগাব বুলি শ্ৰীমতী মুৰ্মুৰে লগতে কয়। সামাজিক সম্প্ৰীতি আৰু সমতা স্থাপনৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিগৰাকীয়ে আম্বেদকাৰৰ জীৱন আৰু কৰ্মক আদৰ্শ হিচাপে গ্ৰহণ কৰিবলৈও জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

০০০০

ইজৰাইলে চলোৱা বিমান আক্ৰমণত গাজা চহৰত সম্পূৰ্ণৰূপে কাৰ্যক্ৰম হৈ থকা অন্তিমখন চিকিৎসালয় অল আহলি বেপ্তিষ্ট হস্পিতালৰ এটা অংশ বিধবস্ত হৈছে। গাজাৰ অসামৰিক জৰুৰীকালীন সেৱাই প্ৰকাশ কৰা অনুসৰি এই আক্ৰমণত এতিয়ালৈকে কোনো লোকৰ মৃত্যু হোৱাৰ বাতৰি পোৱা হোৱা নাই। কেন্দ্ৰীয় নুছেৰাত শৰণাৰ্থী শিবিৰ আৰু দক্ষিণৰ খান ইউনিছৰ বাসিন্দাসকলক উৎখাতৰ বাবে ইজৰাইলী সৈনিকে জাৰি কৰা নিৰ্দেশৰ পাছতে এই আক্ৰমণৰ ঘটনা সংঘটিত হয়। ইয়াৰ পূৰ্বে কালি হামাছৰ সেনা অল কাছাম ব্ৰিগেডছে ২০২৩ চনৰ ৭ অক্টোবৰৰ পৰা গাজা ভূখণ্ডত আবদ্ধ হৈ থকা ইজৰাইলী-আমেৰিকান পণবন্দী এডাম আলেকজেণ্ডাৰৰ এটা ভিডিঅ' প্ৰচাৰ কৰিছিল। ভিডিঅ'টোত পণবন্দীজনক শাৰিৰীক আৰু মানসিকভাৱে পীড়িত দেখা গৈছিল। ভিডিঅ'টো প্ৰচাৰ হোৱাৰ পাছতে ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেতান্যাহুৰ কাৰ্যালয়ে এটা বিবৃতিযোগে কয় যে আলেকজেণ্ডাৰৰ পৰিয়ালৰ সৈতে প্ৰধানমন্ত্ৰীগৰাকীয়ে কথা পাতিছে আৰু সকলো পণবন্দীকে মুকলি কৰি দিয়াৰ বাবে পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি নিশ্চিত কৰা হৈছে। গাজাৰ স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ৭ অক্টোবৰত হামাছে ইজৰাইলত কৰা আক্ৰমণৰ পাছত ইজৰাইলে কৰা বিমান আক্ৰমণত অতি কমেও ৫০ হাজাৰ ৯৪৪জন পেলেষ্টাইনীৰ মৃত্যু হৈছে আৰু ১ লাখ ১৬ হাজাৰতকৈও অধিক লোক আহত হৈছে। উল্লেখযোগ্য যে ইজৰাইল আৰু হামাছৰ মাজত হোৱা যুদ্ধবিৰতি চুক্তিৰ প্ৰথম ৬টা সপ্তাহৰ সময়সীমা ইতিমধ্যে ১ মাৰ্চত উকলি গৈছে আৰু দ্বিতীয় পৰ্যায়ৰ যুদ্ধবিৰতি সংক্ৰান্তীয় আলোচনা স্থবিৰ হৈ আছে।

০০০০

অন্ধ্ৰ প্ৰদেশৰ আনাকাপালে জিলাৰ কৈলাশাপট্টনমৰ এটা আতচবাজী নিৰ্মাণ কাৰখানাত হোৱা বিস্ফোৰণৰ ফলত ৬জন শ্ৰমিকৰ মৃত্যু হয়। ইয়াৰে চাৰিজন শ্ৰমিক থিতাতে নিহত হোৱাৰ লগতে আন দুজন হাস্পতাললৈ নিয়াৰ পথত মৃত্যু হয়। গুৰুতৰভাৱে আহত লোক এজনক সমীপৰ হাস্পতালত ভৰ্তি কৰোৱা হৈছে। দুৰ্ভগীয়া শ্ৰমিকসকল অন্ধ্ৰ প্ৰদেশৰ কাকিনাৰা জিলাৰ সমৰলাকোটাৰ বাসিন্দা বুলি জনা গৈছে। জিলাখনৰ আৰক্ষীয়ে জনোৱা মতে দিনৰ ভাগত হোৱা এই বিস্ফোৰণ নিয়ন্ত্ৰণ কৰা হৈছে। বিস্ফোৰণটোৰ সময়ত ৩০গৰাকীতকৈও অধিক শ্ৰমিকে কাৰখানাটোত কাম কৰি আছিল। অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীয়ে এই ঘটনাৰ দুখ প্ৰকাশ কৰাৰ লগতে তদন্তৰ নিৰ্দেশ দিছে।

০০০০

মিজোৰামৰ দাঁতিকাষৰীয়া অঞ্চলৰ পৰা ৰাজহ চোৰাংচোৱা সঞ্চালকালয়ে ৫২ কিলোগ্ৰামতকৈও অধিক পৰিমাণৰ মেথামফেটামাইন জব্দ কৰিছে। ইয়াৰ মূল্য ৫২ কোটি টকাতকৈও অধিক হ'ব বুলি ঠাৰৰ কৰা হৈছে। নিচাযুক্ত সামগ্ৰী সৰবৰাহৰ সৈতে জড়িত দুজন লোকক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। বিত্ত মন্ত্ৰালয়ে আজি এটা বিবৃতিযোগে প্ৰকাশ কৰা মতে শুকুৰবাৰে শেষনিশা এই অভিযান চলোৱা হৈছিল। প্ৰাথমিক তদন্তত প্ৰকাশ পোৱা মতে নিচাযুক্ত দ্ৰব্যসমূহ ম্যানমাৰৰ পৰা জোখাওথাৰ খণ্ড হৈ মিজোৰামলৈ চোৰাংভাৱে অনা হৈছিল। ট্ৰাকখনৰ চালক আৰু সহায়কজনক নাৰ্কোটিক ড্ৰাগছ আৰু চাইকোট্ৰপিক চাবষ্টেন্সেছ আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০

ৰাষ্ট্ৰীয় ফৰেণচিক বিশ্ববিদ্যালয় এন এফ এছ ইউয়ে নতুন দিল্লীত আজি ফিল্ম ফৰেণচিক সন্দৰ্ভত এখন সন্মিলনৰ আয়োজন কৰে। এই সন্মিলনৰ উদ্দেশ্য হৈছে ফৰেণচিক বিশেষজ্ঞ, চিত্ৰ নিৰ্মাতা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আলোচনা তথা সহযোগিতাৰ বাবে এখন মঞ্চ তৈয়াৰ কৰা। অপৰাধমূলক সমস্যা সমাধান আৰু বিজ্ঞানসন্মত পদ্ধতি সম্পৰ্কে জনসাধাৰণৰ মাজত আগ্ৰহ বৃদ্ধি পোৱাৰ ক্ষেত্ৰত ফৰেণচিক বিজ্ঞানৰ বিভিন্ন দিশ আৰু চলচ্চিত্ৰই এটা মাধ্যম হিচাপে কৰা কামৰ অন্বেষণ আৰু উদযাপন এই সন্মিলনৰ আন এটা মূল লক্ষ্য। অনুষ্ঠানত ভাষণ দি লোকসভাৰ সাংসদ আৰু জনপ্ৰিয় অভিনেত্ৰী হেমা মালিনীয়ে কয় যে চলচ্চিত্ৰই সৰ্বসাধাৰণ ৰাইজ আৰু বিজ্ঞানৰ মাজত এটা যোগাযোগৰ মাধ্যম হিচাপে সেৱা

আগবঢ়াব পাৰে। তেওঁ চলচ্চিত্ৰৰ মাধ্যমেৰে অপৰাধৰ সমাধান আৰু জনসাধাৰণক এই ক্ষেত্ৰত সজাগ কৰাৰ লক্ষ্যৰে আয়োজন কৰা এই সন্মিলনৰ বাবে এন এফ এছ্ ইউক প্ৰশংসা কৰে।

০০০০

মধ্য ম্যানমাৰত আজি পুৱাৰ ভাগত হোৱা ৫ দশমিক ৫ প্ৰাবল্যৰ এটা ভূমিকম্পই জোকাৰি যায়। দেশখনৰ বতৰ বিজ্ঞান আৰু জল বিভাগে জনোৱা মতে এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল মান্দালায়ৰ পৰা প্ৰায় চাৰে ১৪ কিলোমিটাৰ দূৰত্বৰ উত্তৰ-পূবৰ ওৱাণ্ডউইন চহৰ। ইয়াৰ পূৰ্বে যোৱা শুকুৰবাৰে স্থানীয় সময় মতে পুৱা প্ৰায় ১১ বজাত দেশখনৰ মধ্য ম্যানমাৰক ৰিখটাৰ স্কেলত ৫ প্ৰাবল্যৰ ভূমিকম্পই জোকাৰি গৈছিল। উল্লেখযোগ্য যে বিগত মাহৰ ২৮ তাৰিখে ৭ দশমিক ৭ প্ৰাবল্যৰ এটা শক্তিশালী ভূমিকম্পই দেশখন জোকাৰি গৈছিল। ইয়াৰ ফলত ৩ হাজাৰ ৬৮৯ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ৫ হাজাৰ ২০ গৰাকী লোক আহত হৈছিল।

০০০০

ভাৰত আৰু ৰাছিয়াৰ মাজত কূটনৈতিক সম্পৰ্কৰ ৭৮ বছৰ উদযাপনৰ অৰ্থে আজি নতুন দিল্লীত এটা চাইকেল সমদল উলিওৱা হয়। ৩০০তকৈও অধিক অংশগ্ৰহণকাৰীয়ে এই চাইকেল যাত্ৰাত ভাগ লয়। ভাৰতত থকা ৰাছিয়াৰ ৰাষ্ট্ৰদূত ডেনিছ্ এলিপ'ভ'ই এক্স হেণ্ডেলত ভাৰত আৰু ৰাছিয়াৰ এই ৭৮ বছৰীয়া কূটনৈতিক সম্পৰ্কৰ বাবে অভিনন্দন জ্ঞাপন কৰে। ৰাছিয়াৰ দূটাবাসে প্ৰকাশ কৰে যে ভাৰত আৰু ৰাছিয়াৰ মাজত থকা কৌশলগত সহযোগিতাই দুয়োখন দেশৰ মাজত ৰাজনীতি, বাণিজ্য, প্ৰযুক্তি, বিজ্ঞান, শিক্ষা আৰু সংস্কৃতিৰ মাজতো গভীৰ সম্পৰ্ক স্থাপন কৰিছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত খন্তেক পাছতে মুম্বাই ইণ্ডিয়ানছ, ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইতিমধ্যে খেলখনত টছত জিকি ডেলহি কেপিটেলছে বলিং কৰাৰ সিদ্ধান্ত লয়।

ইপিনে, জয়পুৰত অনুষ্ঠিত এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে-ৰাজস্থান ৰয়েলছক ৯ টা উইকেটত পৰাস্ত কৰে। খেলখনত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে টছত জিকি প্ৰথমে ৰাজস্থান ৰয়েলছক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। ৰাজস্থান ৰয়েলছে জয়ৰ বাবে ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুক ১৭৪ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছিল।

০০০০

সমাপ্ত